بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**বদৰৰ যুদ্ধৰ উদ্ধৃতিত আঁহজৰত (ছাঃ)ৰ জীৱনী আৰু ইতিহাস সমূহৰ ঈমান বৰ্দ্ধক ঘটনাৱলী।**

**পূৱ আৰু মধ্যম প্ৰান্তত যুদ্ধৰ দৃষ্টি কোণত বিশেষ দোৱাৰ আবেদন**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১০ নৱেম্বৰ ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আঁহজৰত (ছাঃ)ৰ জীৱনীৰ উদ্ধৃতিত বদৰ যুদ্ধৰ পিছৰ ঘটনাৱলীৰ কথা উল্লেখ কৰি আছিলো। তাতে দুই হিজৰীৰ ঘটনাৱলীত জান্নাতুল বাকি প্ৰতিষ্ঠিত কৰাৰ ঘটনা উল্লেখ আছিল। তাৰ বিস্তাৰিত বিৱৰণ এয়া যে পৱিত্ৰ মদিনাত ইহুদী আৰু আন আন কবিলা সমূহৰ নিজৰ নিজৰ কবৰস্থান আছিল। যেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে মদিনা গৈ পায় তেতিয়া মুছলমান সকলৰ বাবে পৃথক কবৰস্থানৰ প্ৰয়োজন হৈ পৰিছিল। সেয়ে **বাকিয়ুল গৰকদ** কবৰস্থান মুছলমান সকলৰ বাবে নিৰ্দিষ্ট কৰা হ'ল। বাকি আৰবী শব্দত এনে ঠাইক কোৱা হয় য'ত গছ-গছনি অধিক পৰিমাণে থাকে। সেই কবৰস্থানক **জান্নাতুল বাকিও** বুলি কোৱা হয়।

হজৰত মিৰ্জা বশিৰ আহমদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে দুই হিজৰীত আঁহজৰত (ছাঃ)য়ে মুছলমান সকলৰ বাবে এটা কবৰস্থান নিৰ্দিষ্ট কৰিলে যাক **জান্নাতুল বাকি** বুলি কোৱা হয়। পোনপ্ৰথমে এই কবৰস্থানত যিজন দফন হৈছিল তেখেত উছমান বিন মাজয়ুন (ৰাঃ) আছিল। তেখেত বৰ নিষ্ঠাবান, উপাসনাকাৰী আৰু বিনম্ৰ মানৱ আছিল। মুছলমান হোৱাৰ পিছত তেখেতে আঁহজৰত (ছাঃ)ৰ পৰা পাৰ্থিৱ জগত ত্যাগ কৰাৰ আৰু নিজৰ পৰিয়ালবৰ্গৰ পৰা পৃথক থাকি কেৱল এক আল্লাহৰ উপাসনা কৰাৰ বাবে অনুমতি বিচাৰিছিল। তেখেত (ছাঃ)য়ে কয় যে খোদাৰ অধিকাৰ খোদাক দিয়া উচিত। স্ত্ৰী আৰু ল'ৰা-ছোৱালীৰ অধিকাৰ সিহঁতক দিয়া। অতিথি সকলৰ অধিকাৰ সিহঁতক দিয়া। নিজৰ প্ৰবৃত্তিৰ অধিকাৰ প্ৰবৃত্তিক দিয়া; কাৰণ এই সমূহ অধিকাৰ খোদা তা'লাৰ নিৰ্ধাৰিত; সেয়ে উক্ত অধিকাৰ সমূহ পালন কৰা উপাসনাৰ অন্তৰ্ভুক্ত। অৰ্থাৎ অধিকাৰ সমূহ পালন কৰা উপাসনাৰ মাজত অন্তৰ্ভুক্ত। সেই কাৰণে তেখেত (ছাঃ)য়ে উছমান বিন মাজয়ুন (ৰাঃ)ক পাৰ্থিৱ জগত ত্যাগ কৰাৰ অনুমতি দিয়া

নাছিল, কাৰণ ইছলামে ৰাহবানিয়ত (পাৰ্থিৱ জগত ত্যাগ কৰা) অৱলম্বন কৰাটো অবৈধ ঘোষণা কৰি নিজৰ উম্মতৰ বাবে মধ্যম শ্ৰেণী অৱলম্বন কৰাৰ বাট প্ৰতিষ্ঠিত কৰিছে। উছমান বিন মজয়ুন (ৰাঃ)ৰ মৃত্যুত তেখেত (ছাঃ)য়ে বৰ আঘাত পাইছিল। এয়া বৰ্ণনা পোৱা যায় যে তেখেতৰ মৃত্যুৰ পিছত তেখেত (ছাঃ)য়ে তেওঁৰ কপালত চুমা দিছিল তেতিয়া তেখেত (ছাঃ)ৰ চকু তলফালে আছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, এতিয়া মই বনি গুতফানৰ যুদ্ধৰ বিষয়ে আলোচনা কৰিম। আঁহজৰত (ছাঃ)লৈ সংবাদ আহে যে গুতফানৰ শাখা বনি ছালবা আৰু বনু মুহাৰিবে মুছলমান সকলৰ বিৰুদ্ধে এখন ঠাইত একত্ৰিত হৈছে। এই সংবাদ পোৱাৰ পিছত তেখেত (ছাঃ)য়ে চাৰি হাজাৰ পাঁচ শ চাহাবা সকলৰ সৈতে যাত্ৰা কৰে। ৰাবিউল আউৱাল মাহৰ তিনি হিজৰীত এই যুদ্ধ সংঘটিত হয়। পৌত্তলিক সকলৰ চক্ৰান্তৰ বিৰুদ্ধে তেখেত (ছাঃ)য়ে যাত্ৰা আৰম্ভ কৰে। বাটত বনু গুতফানৰ এজন ব্যক্তিৰ সৈতে সাক্ষাৎ হয় সেইজন ব্যক্তিক চাহাবা সকলে গ্ৰেপ্তাৰ কৰি তেখেত (ছাঃ)ৰ সন্মুখত উপস্থাপন কৰে। তেওঁ নিজৰ কবিলাৰ চক্ৰান্ত সমূহৰ বিষয়ে কৈ দিয়ে। তেখেত (ছাঃ)য়ে তেওঁক ইছলামৰ ফালে নিমন্ত্ৰণ জনায় তেতিয়া তেওঁ ইছলাম গ্ৰহণ কৰে। সেইজন ব্যক্তিয়ে তেখেত (ছাঃ)ক কয় যে যদি সেই জাতিয়ে জানিব পাৰে যে আপুনি মুছলমান সকলৰ সেনা বাহিনীৰ সৈতে যুদ্ধৰ বাবে প্ৰস্তুত হৈছে সিহঁতে কেতিয়াও আপোনাৰ সৈতে প্ৰতিদ্বন্দ্বিতা নকৰিব, বৰং চৌদিশৰ পাহাৰৰ ওপৰত উঠি যাব। যেতিয়া মুছলমান সকলে সিহঁতৰ ফালে যাত্ৰা আৰম্ভ কৰে সঁচাকৈয়ে সিহঁতে মোকাবিলা নকৰিলে, বৰং চৌদিশত থকা পাহাৰৰ ওপৰলৈ উঠি গ'ল। সেই সময়ছোৱাত এটা ঘটনা সংঘটিত হয় যে যেতিয়া আঁহজৰত (ছাঃ)য়ে এখন গছৰ তলত বিশ্ৰাম কৰি আছিল, আৰু চাহাবা সকলে নিজৰ কামত মগ্ন আছিল, তেতিয়া এনেকুৱা এজন ব্যক্তি তেখেত (ছাঃ)ৰ তৰোৱাল খন ধাৰণ কৰি লয়। সেই ব্যক্তিজনে কয়, হে মহম্মদ ! এতিয়া তোমাক কোনে ৰক্ষা কৰিব ? তেখেত (ছাঃ)য়ে কয়, আল্লাহ। তৎক্ষণাত তেওঁৰ হাতৰ পৰা তৰোৱাল খন পৰি যায়।

সেই যুদ্ধৰ ঘটনাৰ মাজত এটা ঘটনা হজৰত ৰুকিয়া (ৰাঃ)ৰ মৃত্যু আৰু হজৰত উম্মে কলছুম (ৰাঃ)ৰ বিবাহ আছিল। বৰ্ণনা অনুযায়ী যেতিয়া হুজুৰ (ছাঃ)য়ে বদৰৰ ফালে যাত্ৰা কৰে তেতিয়া হজৰত ৰুকিয়া অসুস্থ হৈ পৰিছিল; সেই কাৰণে তেখেত (ছাঃ)য়ে হজৰত উছমান (ৰাঃ)ক তাইৰ দেখা-শুনা কৰাৰ বাবে মদিনাত এৰি যায়। হজৰত ৰুকিয়া (ৰাঃ) সেই দিনা মৃত্যু বৰণ কৰে যিদিনা হজৰত জায়েদ বিন হাৰছা (ৰাঃ)য়ে বদৰৰ বিজয় সন্দৰ্ভত শুভ সংবাদ লৈ মদিনালৈ আহে। হজৰত ৰুকিয়াৰ মৃত্যুৰ পিছত যেতিয়া তেখেত (ছাঃ)য়ে হজৰত উছমান (ৰাঃ)ৰ সৈতে সাক্ষাৎ কৰে তেতিয়া হজৰত উছমান (ৰাঃ)ক কয় যে আল্লাহ তা'লাই উম্মে কলছুমৰ বিবাহ ৰুকিয়াৰ সমানে মোহৰাণা ধাৰ্য কৰি তোমাৰ উত্তম আচৰণৰ বাবে তোমাৰ সৈতে কৰি দিছে। বিয়াৰ তিনি দিন পিছত হুজুৰ (ছাঃ)য়ে হজৰত উম্মে কলছুমৰ ওচৰলৈ গৈ জিজ্ঞাসা কৰে যে হে মোৰ ছোৱালী ! তুমি নিজৰ স্বামীক কেনে পাইছা ? হজৰত উম্মে কলছুম (ৰাঃ)য়ে উত্তৰ দিয়ে, উছমান (ৰাঃ) উত্তম স্বামী হয়। হজৰত উম্মে কলছুম (ৰাঃ)য়ে ন হিজৰীত ৰোগত আক্ৰান্ত হৈ মৃত্যু বৰণ কৰে। ৰছুলে কৰিম (ছাঃ)য়ে হজৰত উম্মে কলছুম (ৰাঃ)ৰ মৃত্যুত কৈছিল যে যদি মোৰ তৃতীয় গৰাকী ছোৱালী থাকিলেহেঁতেন তেন্তে তাইৰ বিবাহ উছমান (ৰাঃ)ৰ সৈতে পাতি দিলোহেঁতেন।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে হজৰত উম্মে কলছুমৰ বিয়াৰ কথা বৰ্ণনা কৰি কৈছে যে ৰছুলে কৰিম (ছাঃ)ৰ ছোৱালী, হজৰত উছমান বিন আফ্‌ফানৰ স্ত্ৰীৰ মৃত্যুৰ পিছত তেখেত (ছাঃ)য়ে নিজৰ দ্বিতীয় গৰাকী ছোৱালী উম্মে কলছুমৰ বিয়া যিজনী হজৰত ফাতিমা (ৰাঃ)তকৈ ডাঙৰ আৰু হজৰত ৰুকিয়া (ৰাঃ)তকৈ সৰু হজৰত উছমান (ৰাঃ)ৰ সৈতে পাতি দিছিল। সেই কাৰণে হজৰত উছমান (ৰাঃ)ক জুন্নুৰাইন অৰ্থাৎ দুটা পোহৰ

বুলি কোৱা হয়। হজৰত উম্মে কলছুম (ৰাঃ)ৰ নিকা ৰাবিউল আউৱাল মাহৰ তিনি হিজৰীত হৈছিল। হজৰত উম্মে কলছুমৰ এয়া দ্বিতীয় বিয়া আছিল। ইয়াৰ পূৰ্বে হজৰত ৰুকিয়া আৰু হজৰত উম্মে কলছুম (ৰাঃ)ৰ বিয়া হুজুৰ (ছাঃ)ৰ খুৰা আবু লাহাবৰ দুজন ল'ৰাৰ সৈতে কৰি দিছিল; আৰু ৰুখচত হোৱাৰ আগতেই ধাৰ্মিক মতবিৰোধৰ কাৰণে এই নিকাৰ সমাপ্তি ঘটিছিল।

সেই সময়ছোৱাত বনু ছালিমৰ যুদ্ধও সংঘটিত হৈছিল। তেখেত (ছাঃ)য়ে সংবাদ পাইছিল যে বনু ছালিমৰ বিশাল সংখ্যাত লোক মুছলমান সকলৰ বিৰুদ্ধে একত্ৰিত হৈছে। সেই যুদ্ধৰ বাবে আঁহজৰত (ছাঃ)য়ে মদিনাত আবদুল্লাহ বিন উম্মে মকতুম (ৰাঃ)ক উপ প্ৰতিনিধি নিযুক্ত কৰি ছয় জমাদিল উলা তিনি শ চাহাবা সকলৰ সৈতে ৰাওনা হয়। আন এটা বৰ্ণনা অনুযায়ী তেখেত (ছাঃ)য়ে হজৰত উমৰ (ৰাঃ)ক উপ প্ৰতিনিধি হিচাপে নিযুক্ত কৰিছিল। বাটতে আঁহজৰত (ছাঃ)ৰ সৈতে বনু ছালিমৰ এজন ব্যক্তিৰ সাক্ষাৎ হয়। ব্যক্তিজনে কয় যে বনু ছালিমৰ দল ছেদেলি-ভেদেলি হৈ গৈছে। তদন্ত লোৱাৰ পিছত সেই ব্যক্তিজনৰ কথা সঁচা প্ৰমাণিত হয়; তেখেত (ছাঃ)য়ে তাৰ পৰা উভতি আহে আৰু যুদ্ধ সংঘটিত হোৱাৰ প্ৰয়োজন নহয়।

এজন চৰ্দাৰ জায়েদ বিন হাৰছা আছিল। তাৰ বিৱৰণ সন্দৰ্ভত উল্লেখ পোৱা যায় যে এদিন চাফৱান বিন উমায়াই নিজৰ লগৰীয়াক কয় যে মুছলমান সকলে আমাৰ বেপাৰ-বাণিজ্যৰ কেন্দ্ৰ শ্বাম দেশৰ ফালে যোৱা বন্ধ কৰি দিছে। এজন ব্যক্তিয়ে পৰামৰ্শ দিয়ে যে সমুদ্ৰৰ প্ৰান্তৰ বাট অৱলম্বন কৰি ইৰাকৰ ফালে গৈ শ্বামলৈ যাব পৰা যাব। সেই বাটৰ বিষয়ে অৱগত থকা এজন ব্যক্তিৰ সহযোগীতাত চাফৱান বিন উমায়াই যাত্ৰা আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু কাফলাৰ প্ৰস্তুতি লয়। এই যাত্ৰা জামাদিল আখিৰ মাহৰ তিনি হিজৰীত হৈছিল। কাফলাই এয়া চেষ্টা কৰিছিল যে এই খবৰ যেন কোনো পৰ্যায়তে মদিনালৈ গৈ নাপায়। কিন্তু খোদা তা'লা আন কিবা কৰিবলগীয়া আছিল। গতিকে এই খবৰ তেখেত (ছাঃ)লৈ গৈ পায়। তেখেত (ছাঃ)য়ে এশ বাহিনীৰ সৈতে হজৰত জায়েদ বিন হাৰছা (ৰাঃ)ৰ নেতৃত্বত যাত্ৰা আৰম্ভ কৰে। হজৰত জায়েদ (ৰাঃ)ৰ এয়া প্ৰথম নেতৃত্ব আছিল য'ত তেখেতে আমিৰ নিযুক্ত হৈ ৰাওনা হৈছিল আৰু কৃতকাৰ্য হৈ উভতি আহিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে সেই বেপাৰ-বাণিজ্য কৰা লোক সকলক এই কাৰণে বাধা দিয়া হৈছিল যে সেই কাফিলাৰ পৰা হোৱা লাভালাভ মুছলমান সকলৰ বিৰুদ্ধে ব্যৱহাৰ হৈছিল। সেই কাফিলাক বাধা দিয়া এনেদৰে আছিল যিদৰে আজিকালি বিভিন্ন দেশত অৰ্থনৈতিক ক্ষেত্ৰত বাধ্যবাধকতা লগায়। আজিকালি কিছুমান দেশ সমূহে অপব্যৱহাৰ কৰি বাধ্যবাধকতা লগায়; সিহঁতে ইছলামৰ ওপৰত কি আপত্তি কৰিব।

খোতবাৰ দ্বিতীয় অংশত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে এতিয়া মই পেলেষ্টাইনৰ বাবে দ্বিতীয়বাৰ দোৱাৰ আবেদন কৰো। এতিয়া কমপক্ষে কিছুমান লোক সকলে ভীতিগ্ৰস্ত হৈয়ো সেই অত্যাচাৰৰ বিৰুদ্ধে মাত মাতিবলৈ আৰম্ভ কৰিছে, বৰং কিছুমান ইহুদী সকলেও এই অত্যাচাৰৰ বিৰুদ্ধে কৈ আছে আৰু নিজৰ শাসন কৰ্তাক কৈ আছে যে আমাক কিয় দুৰ্নাম কৰি আছে। অৰ্থাৎ অইন সকলেও সৰু-সুৰা মাত মাতিবলৈ লৈছে। প্ৰত্যেক দিন চাৰি ঘণ্টাৰ বাবে যুদ্ধ বন্ধ ৰখা হওঁক বুলি কৈ আছে,যাতে পেলেষ্টাইন সকলৰ বাবে সহায় আগবঢ়াব পৰা যায়। আল্লাহ তা'লাই উত্তম জানে এই কথাৰ ওপৰত কিমান প্ৰভাৱ পৰিব আৰু বাকী ২০ ঘণ্টাত সিহঁতৰ ওপৰত কিমান গুলী, বোমা বিস্ফোৰণ কৰা হ'ব। বেছিভাগ ডাঙৰ ডাঙৰ শাসন কৰ্তা আৰু ৰাজনীতিবিদ সকলে পেলেষ্টাইনৰ প্ৰাণৰ হানিৰ বিষয়ে কোনো গুৰুত্ব দিয়া নাই; সিহঁতে নিজৰ স্বাৰ্থৰ কথা ভাৱি একোৱে কৰা নাই। সিহঁতে মনত ৰখা উচিত যে আল্লাহ তা'লাই কিছু কালৰ বাবে শিথিল কৰে; কেৱল এই পাৰ্থিৱ জগততেই নহয়, বৰং আন এটা জগত আছে। এই পাৰ্থিৱ জগতত গেপ্তাৰী হ'ব পাৰে, আন জগতত নিশ্চয় গ্ৰেপ্তাৰী হ'বই। আমি

অত্যাচাৰৰ বলি হোৱা পেলেষ্টাইন সকলৰ বাবে বহুত দোৱা কৰা উচিত। আল্লাহ তা’লা সিহঁতক অত্যাচাৰৰ পৰা মুক্তি দান কৰক। আমীন-

খোতবাৰ অন্তত হুজুৰ আনোৱাৰ (আইঃ)য়ে নিম্নত উল্লেখ কৰা দুটা নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

১। মাননীয়া মনছুৰা বাছমা চাহিবা মাননীয় হামিদুৰ ৰহমান খান চাহাবৰ স্ত্রী যি গৰাকী হজৰত নৱাব আব্দুল্লাহ খান চাহাব (ৰাঃ) আৰু হজৰত চাহাবজাদী উম্মাতুল হাফিজ বেগম চাহিবা (ৰাঃ)ৰ নাতিনীয়েক আৰু হজৰত চাহাবজাদা মির্জা শ্বৰিফ আহমদ চাহাব (ৰাঃ) আৰু হজৰত বুজয়নব বেগম চাহিবা (ৰাঃ)ৰ নাতিনীয়েক আছিল। মৰহুমা মিঞা আববাছ আহমদ খান চাহাব আৰু উম্মাতুল বাৰি বেগম চাহিবাৰ ছোৱালী আছিল। তৃতীয় খলিফা (ৰহঃ)য়ে তাইৰ বিয়াৰ সময়ত উপদেশ কৰি কৈছিল যে নিকাৰ সময়ত পাঠ কৰা আয়াতৰ মাজত **ৰব** শব্দৰ সৈতে তাকওৱা অৱলম্বন কৰাৰ ফালে মনোযোগ আকৰ্ষণ কৰা হৈছে। এইটোৱে এই কথাৰ ফালে ইঙ্গিত কৰে যে যিদৰে খোদা তা’লা তোমাৰ প্ৰতিপালক সেইদৰে তোমাৰ ওপৰত এনে দায়িত্ব অৰ্পিত হ’বলগীয়া যে যাক আদায় কৰা জৰুৰী যে তুমি ৰবুবিয়ত (প্ৰতিপালকৰ) উৎসাৰ সৈতে তাকওৱা অৱলম্বন কৰিবা। মৰহুমা খোদা তা’লাৰ ধন্যবাদ জ্ঞাপন কৰোঁতা,পৰিত্ৰতা অৱলম্বনকাৰী, নামাজ ৰোজা আদায় কৰোঁতা, খলিফাক বহুত মৰ্যাদা দিওঁতা মহিলা আছিল। আল্লাহ তাইৰ সৈতে ক্ষমা আৰু দয়াৰ আচৰণ কৰক আৰু তাইৰ সন্তান-সন্ততিক নিষ্ঠাৰ সৈতে পুণ্য অব্যাহত ৰখাৰ সৌভাগ্য দান কৰক।

২। চৌধুৰী ৰাশিদ আহমদ চাহাব প্ৰাক্তন কৃষি ইউনিভাৰছিটি ফয়চালাবাদৰ ৰেজিষ্ট্ৰাৰৰ আছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে তেখেতৰ গুণাৱলী, তেখেতক আল্লাহ তা’লাই ক্ষমাৰ আচৰণ কৰক আৰু তেখেতৰ সন্তান-সন্ততিক নিষ্ঠাৰ সৈতে পুণ্য অব্যাহত ৰখাৰ সৌভাগ দান কৰক বুলি কৈ খোতবা সমাপ্ত কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 10 Nov 2023**

# BOOK POST (PRINTED MATTER)

TO,

..................................................................................................................

..................................................................................................................

..................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844